# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-05-2026
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। অসম, পশ্চিমবংগ, কেৰলম, তামিলনাডু আৰু পুডুচেৰী বিধানসভা নিৰ্বাচনৰ ভোটগণনা কাইলৈ অনুষ্ঠিত হ'ব।

২। নিৰ্বাচন আয়োগে পশ্চিমবংগৰ দক্ষিণ ২৪ পৰগনা জিলাৰ ফালটা বিধানসভা সমষ্টিৰ সমগ্ৰ ভোটগ্ৰহণ বাতিল কৰাৰ পদক্ষেপ লৈছে।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মোবাইল প্ৰচাৰ ব্যৱস্থা আৰু উমৈহতীয়া সতৰ্কতা প্ৰটকলৰ লেখীয়া প্ৰযুক্তিৰ ব্যৱহাৰে দুৰ্যোগৰ বাবে প্ৰস্তুতি অধিক শক্তিশালী কৰি তুলিব বুলি প্ৰকাশ কৰিছে।

৪। চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপণ তথা প্ৰৱেশ পৰীক্ষা নীট আজি অনুষ্ঠিত হ'ব।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা চেন্নাই ছুপাৰ কিংছে মুম্বাই ইণ্ডিয়ানছক ৮ উইকেটত পৰাস্ত কৰে।

০০০০০

অসম, পশ্চিমবংগ, কেৰলম, তামিলনাডু আৰু পুডুচেৰী বিধানসভা নিৰ্বাচনৰ ভোটগণনা কাইলৈ অনুষ্ঠিত হ'ব। পাঁচোখন ৰাজ্যত ভোটগণনাৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। অসমত ভোটগণনাৰ বাবে ৩৫ খন জিলাৰ মুখ্য কাৰ্যালয়ত মুঠ ৪০টা কেন্দ্ৰ স্থাপন কৰা হৈছে। ভোটগণনা প্ৰক্ৰিয়া নিৰীক্ষণৰ বাবে ১২৬ জন ভোটগণনা পৰ্যবেক্ষক নিয়োগ কৰা হৈছে আৰু এই প্ৰক্ৰিয়াত ৫ হাজাৰ ৯৮১ গৰাকী ভোটগণনা বিষয়া আৰু দুহেজাৰ ৩৪৭ গৰাকী মাইক্ৰ' অবজাৰ্ভাৰে সহযোগিতা আগবঢ়াব। প্ৰতিটো সমষ্টিৰ ভোটদানৰ হাৰৰ ওপৰত ভিত্তি কৰি ১৫ৰ পৰা ২৮টা ৰাউণ্ডত ভোট গণনা কৰা হ'ব।

০০০০০

নিৰ্বাচন আয়োগে পশ্চিমবংগৰ দক্ষিণ ২৪ পৰগনা জিলাৰ ফালটা বিধানসভা সমষ্টিৰ সমগ্ৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া বাতিল কৰাৰ অসাধাৰণ পদক্ষেপ লৈছে। সমষ্টিটোৰ ২৮৫টা ভোটগ্ৰহণ কেন্দ্ৰৰ আটাইকেইটাতে ২১ মে'ত নতুনকৈ ভোটগ্ৰহণ কৰা হ'ব। নিৰ্বাচন আয়োগে এটা বিবৃতিযোগে ২৯ এপ্ৰিলত হোৱা ভোটগ্ৰহণৰ সময়ত সংঘটিত ব্যাপক নিৰ্বাচনী অপৰাধ আৰু গণতান্ত্ৰিক প্ৰক্ৰিয়া উলংঘনৰ খবৰলৈ চাই ভোটগ্ৰহণ প্ৰক্ৰিয়া বাতিল কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা বুলি প্ৰকাশ কৰিছে।

পৰ্যবেক্ষকসকলে দাখিল কৰা প্ৰতিবেদনত ই ভি এম টেম্পাৰিং অৰ্থাৎ ভোটগ্ৰহণ মেচিনত হেৰ-ফেৰ, ভোটদাতাসকলক ভাবুকি প্ৰদান আৰু ভোটগ্ৰহণৰ নিয়মাৱলী উলংঘন কৰাকে ধৰি ব্যাপক অনিয়ম হোৱা বুলি উল্লেখ কৰা হৈছে। সমষ্টিটোৰ কেইবাটাও ভোটগ্ৰহণ কেন্দ্ৰত ই ভি এমৰ বুটাম ইচ্ছাকৃতভাৱে ক'লা টেপেৰে ঢাকি দিয়া হৈছিল আৰু ইয়াৰ ফলত ভোটগ্ৰহণ প্ৰক্ৰিয়াত বাধাৰ সৃষ্টি হৈছিল। ভোটগ্ৰহণ কেন্দ্ৰত অকৃত্বশীল লোকৰ প্ৰৱেশ আৰু আনৰ হৈ ভোটদান কৰাৰ অভিযোগ উত্থাপিত হৈছিল।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মোবাইল প্ৰচাৰ ব্যৱস্থা আৰু উমৈহতীয়া সতৰ্কতা প্ৰটকলৰ লেখীয়া প্ৰযুক্তিৰ ব্যৱহাৰে দুৰ্যোগৰ বাবে প্ৰস্তুতি অধিক শক্তিশালী কৰি তুলিব, প্ৰশাসন উন্নত কৰিব আৰু প্ৰতিগৰাকী নাগৰিকৰ সৈতে সময় মতে যোগাযোগ সুনিশ্চিত কৰিব বুলি প্ৰকাশ কৰিছে। মোবাইল প্ৰচাৰ ব্যৱস্থাৰ উদ্বোধনৰ বাবে শুভেচ্ছা জ্ঞাপন কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে এই ব্যৱস্থাৰ জৰিয়তে অঞ্চলভিত্তিত জৰুৰী অৱস্থা আৰু প্ৰাকৃতিক দুৰ্যোগৰ বিষয়ে জনসাধাৰণক সতৰ্ক কৰি তুলিব পৰা যাব।

কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই কালি জনসাধাৰণৰ বাবে তাৎক্ষণিক বিপৰ্যয় সতৰ্কতা সেৱাৰ বাবে থলুৱা প্ৰযুক্তি ব্যৱহাৰ কৰি মোবাইল প্ৰচাৰ ব্যৱস্থা আৰম্ভ কৰে। এই ব্যৱস্থাৰ সম্পৰীক্ষাৰ অংশ হিচাপে কালি দুপৰীয়ালৈ নাগৰিকসকলৰ মোবাইল ফোনলৈ চাইৰেণ সতৰ্কতাৰ সৈতে জাননী প্ৰেৰণ কৰা হয়। সম্পৰীক্ষাৰ সময়ত মোবাইললৈ অহা বাৰ্তাত সুৰক্ষিত ৰাষ্ট্ৰ আৰু এই বাৰ্তা লাভ কৰাৰ পাছত কোনো ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজন নাই বুলি উল্লেখ কৰা হৈছে। দূৰসংযোগ বিভাগে ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সহযোগত মোবাইল প্ৰচাৰ প্ৰযুক্তি ব্যৱহাৰ কৰি বিকশাই তোলা এই ব্যৱস্থাৰ জৰিয়তে ভৱিষ্যতে কোনো বিপৰ্যয় বা জৰুৰীকালীন অৱস্থাত অঞ্চল অনুযায়ী স্থানীয় ভাষাত তাৎক্ষণিক সতৰ্কতা প্ৰেৰণ কৰিব পৰা যাব বুলি তেওঁ মন্তব্য কৰে। নাগৰিকসকলৰ সুৰক্ষা অধিক সুদৃঢ় কৰা আৰু দুৰ্যোগৰ সময়ত ক্ষীপ্ৰতাৰে তথ্য প্ৰেৰণৰ দিশৰ পৰা এই উদ্যম গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে।

ooooo

চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপণ তথা প্ৰৱেশ পৰীক্ষা নীট আজি অনুষ্ঠিত হ'ব। পৰীক্ষা দিনৰ ২ বজাত আৰম্ভ হ'ব আৰু ৫ বজাত সামৰণি পৰিব। পৰীক্ষাৰ্থীসকলে ডেৰ বজা পৰ্যন্ত পৰীক্ষা কেন্দ্ৰত প্ৰৱেশ কৰিব পাৰিব। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই ২০১৯ চনৰ পৰা এই পৰীক্ষাৰ আয়োজন কৰি আহিছে। সংস্থাটোৱে শিক্ষাৰ্থীসকলৰ বাবে নীতি নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি বিদ্যাৰ্থীসকলে প্ৰৱেশ-পত্ৰৰ সৈতে ভোটাদাতা পৰিচয় পত্ৰ, আধাৰকাৰ্ড অথবা ৰেচন কাৰ্ডৰ দৰে ফটোযুক্ত পৰিচয় পত্ৰৰ মূল কপি লৈ আহিব লাগিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নীতি আয়োগৰ পূৰ্ণকালীন সদস্য পদ লাভ কৰা ড° আৰ বালাসুব্ৰমণিয়ম আৰু ড° জ'ৰাম আনিয়াক শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে তেওঁলোকৰ সমৃদ্ধ অভিজ্ঞতা আৰু বিভিন্ন বিষয় বুজিব পৰা গভীৰ জ্ঞানসম্ভাৰে নীতি নিৰ্ধাৰণত সহায় কৰিব। তেওঁলোকৰ বহুমূলীয়া অৱদানে উদ্ভাৱণ আৰু বিকাশৰ ক্ষেত্ৰত উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে গভীৰ আস্থা প্ৰকাশ কৰে।

শ্ৰীমোদীয়ে দুয়োগৰাকী সদস্যকে তেওঁলোকে নিজৰ কাৰ্যকালত সক্ৰিয় আৰু প্ৰভাৱশালী হৈ থকাৰ কামনাৰে শুভেচ্ছা জ্ঞাপন কৰে।

এখন জাননীযোগে কেবিনেট সচিবে ড° বালাসুব্ৰমনিয় আৰু ড° আনিয়াক তেওঁলোকৰ নিযুক্তি সন্দৰ্ভত অৱগত কৰে।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে অপাৰেচন সিন্দূৰক নিৰ্ণায়ক ব্যৱস্থাৰ জৰিয়তে সন্ত্ৰাসবাদৰ পুলিয়ে পোখাই উৎখাত কৰিবলৈ মোদী চৰকাৰৰ দৃঢ় সংকল্পৰ প্ৰতিফলন বুলি অভিহিত কৰিছে। অপাৰেচন সিন্দূৰৰ প্ৰথম বৰ্ষপূৰ্তিৰ প্ৰাক্ক্ষণত কালি নতুন দিল্লীত  আয়োজন কৰা শৌৰ্য নামৰ এটা অনুষ্ঠানত ভাষণ দি মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে এই অভিযানৰ সময়ত সশস্ত্ৰ বাহিনীমূহে দেখুওৱা অতুলনীয় সাহসে ইয়াক দেশৰ সামৰিক ইতিহাসত সোণালী অধ্যায়লৈ ৰূপান্তৰিত কৰিছে।

ভাৰতে যোৱাবছৰ ২২ এপ্ৰিলত পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰত্যুত্তৰত ৭ মে'ত অপাৰেছন সিন্দূৰ আৰম্ভ কৰিছিল। এই অভিযানৰ জৰিয়তে পাকিস্তানৰ নিয়ন্ত্ৰণত থকা এলেকাসমূহৰ সন্ত্ৰাসবাদী আন্তঃগাঁথনিসমূহক লক্ষ্য কৰি লোৱা হৈছিল। এই অভিযানৰ সময়ত চাৰি দিন ধৰি সংঘৰ্ষৰ সূত্ৰপাত হৈছিল। ১০ মে'ত সামৰিক অভিযান বন্ধ কৰাৰ সহমতেৰে অভিযানৰ সামৰণি পৰিছিল।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয়, যে সশস্ত্ৰ বাহিনীসমূহে যুদ্ধ ক্ষেত্ৰ আৰু প্ৰাকৃতিক বিপৰ্যয়ৰ দ্বাৰা প্ৰভাৱিত জনসাধাৰণৰ সেৱাত অদম্য সাহসৰ পৰিচয় দি আহিছে। তেওঁ লগতে জনসাধাৰণক দেশৰ অখ্যাত নায়কসকলৰ ত্যাগ আৰু সাহসৰ গাঁথা শ্বেয়াৰ কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত চীফ অব ডিফেন্স ষ্টাফ জেনেৰেল অনিল চৌহান, বায়ুসেনাৰ মুৰব্বী এয়াৰ চীফ মাৰ্ছেল এ পি সিং, দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তা আৰু প্ৰতিৰক্ষা সচিব ৰাজেশ কুমাৰ সিঙকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

কম নিৰিখৰ ভাড়াৰ বাবে পৰিচিত আমেৰিকাৰ কেৰিয়াৰ স্পীৰিট বিমান সেৱাৰ ব্যৱসায় ৩৪ বছৰ পাছত বন্ধ হোৱা বুলি কৰ্তৃপক্ষই ঘোষণা কৰিছে। যাত্ৰীৰ ভাড়াৰ বাবদ কম নিৰিখ ধাৰ্য কৰা উজ্জ্বল হালধীয়া ৰঙৰ শ শ এই বিমানে প্ৰতিদিনে বিমান যাত্ৰীক সেৱা আগবঢ়োৱাৰ লগতে এই প্ৰতিষ্ঠানটোৰ সৈতে প্ৰায় ১৭ হাজাৰ লোক জড়িত হৈ আছিল। এই বিমান সংস্থাটো ইয়াৰ পূৰ্বে দুবাৰকৈ দেওলীয়া হৈছিল। কোম্পানীটোৱে প্ৰকাশ কৰা অনুসৰি ইৰাণ যুদ্ধৰ ফলত হোৱা তেলৰ মূল্যবৃদ্ধিয়ে বিমান সেৱা অব্যাহত ৰখাত অসুবিধাৰ সৃষ্টি কৰিছে। সেয়েহে বিমান কৰ্তৃপক্ষই কোম্পানীৰ ৱেৱছাইট যোগে তেওঁলোকৰ সকলো বিমান বাতিল কৰা বুলি জনাইছে। আমেৰিকাৰ পৰিবহণ সচিব শ্বেন ডাফিয়ে কয়, যে সংস্থাটোৰ পৰা পোনপটীয়াকৈ ক্ৰয় কৰা গ্ৰাহকৰ বাবে এটা ৰিজাৰ্ভ পুঁজি স্থাপন কৰা হৈছে যাতে তেওঁলোকে ধনসমূহ ঘূৰাই পায়। কিন্তু ট্ৰেভেল এজেণ্টৰ দৰে কোনো তৃতীয় পক্ষৰ বিক্ৰেতাৰ পৰা ক্ৰয় কৰা লোকসকলে তেওঁলোকৰ পৰা ধন ঘূৰাই বিচাৰিব লাগিব।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত চেন্নাই ছুপাৰ কিংছে মুম্বাই ইণ্ডিয়ানছক ৮ উইকেটত পৰাস্ত কৰে। খেলখনত মুম্বাই ইণ্ডিয়ানছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেটৰ বিনিময়ত ১৫৯ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত চেন্নাই ছুপাৰ কিংছে ১৮ অভাৰ

আৰু এটা বলত দুটা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। চেন্নাইনৰ হৈ ঋতুৰাজ গাইকোৱাডে ৬৭ আৰু কাৰ্তিক শৰ্মাই ৫৪ ৰান কৰি আউট নোহোৱাকৈ থাকে।

প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত বিয়লি চাৰে ৩ বজাত হ'বলগীয়া প্ৰথমখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আহমেদাবাদত সন্ধিয়া চাৰে ৭ বজাত হ'বলগীয়া দ্বিতীয়খন খেলত গুজৰাট টাইটানছ পাঞ্জাৱ কিংছৰ সন্মুখীন হ'ব।

০০০০০

ডেনমাৰ্কৰ হৰ্চেন্সত কালি অনুষ্ঠিত থমাছ কাপৰ ছেমি ফাইনেলত ভাৰতে ফ্ৰান্সৰ হাতত ০-৩ গেমত পৰাস্ত হয়। প'পভ ভাতৃদ্বয়ৰ নেতৃত্বৰে ফ্ৰান্সৰ সুদক্ষ দলটোৱে থমাছ কাপৰ ফাইনেলত প্ৰৱেশ কৰে। বিশ্বৰ ৪ নম্বৰ খেলুৱৈ ক্ৰিষ্টোপ'পভৰ হাতত ভাৰতৰ আয়ুছ ছেট্টীয়ে ছিংগলছত ১১-২১, ৯-২১ গেমত পৰাস্ত হয়। কিংদাম্বি শ্ৰীকান্তে বিশ্বৰ ১০ নম্বৰ স্থানৰ খেলুৱৈ এলেক্স লেনিয়ৰৰ হাতত ১৬-২১, ১৮-২১ৰ ব্যৱধানত পৰাস্ত হয়। একেদৰে এইচ এচ প্ৰণয়ে বিশ্বৰ ১৭ নম্বৰ স্থানৰ টমা জুনিয়ৰ প'পভৰ হাতত ১৯-২১, ১৬-২১ গেমত পৰাস্ত হয়। লক্ষ্য সেনৰ অনুপস্থিতিত কালিৰ খেলখন ভাৰতৰ বাবে কঠিন আছিল। কিংদাম্বি আৰু এইছ এছ প্ৰণয়ে ভাল খেলিছিল যদিও ভাৰতে ফাইনেললৈ যোগ্যতা অৰ্জন কৰিবলৈ অসমৰ্থ হয়।

উল্লেখযোগ্য যে, ভাৰতে ২০২২ চনত থমাছ কাপৰ খিতাপ অৰ্জন কৰাৰ লগতে ১৯৫২, ১৯৫৫ আৰু ১৯৭৯ত ব্ৰঞ্জৰ পদক লাভ কৰিছিল।

০০০০০

**সমাপ্ত**